ISSN: 2454-3837

Vol.-VII | Issue-I | March 2021

# সম্প্ৰীতি
# samprìti

ৰাষ্ট্ৰীয় গৱেষণা পত্ৰিকা

Double Blind Peer Reviewed National
Research Journal of Humanities and Social Sciences



**UGC-CARE**
**Listed Journal**
(Bi-Lingual)

Editor in Chief
Dr. Dhiraj Patar

Assistant Editor
Dr. Rumi Patar

সম্প্ৰীতি

ISSN : 2454-3837

ৰাষ্ট্ৰীয় গৱেষণা পত্ৰিকা

# SAMPRITI

DOUBLE BLIND PEER REVIEWED NATIONAL RESEARCH JOURNAL OF HUMANITIES AND SOCIAL SCIENCES

Vol.-VII, Issue-I, March 2021

UGC-Care listed Journal

(Bi-Lingual)

**Editor in Chief**

Dr. Dhiraj Patar

**Assistant Editor**

Dr. Rumi Patar

SAMPRITI PUBLICATION

NEAR GAUHATI UNIVERSITY

ASSAM FOREST SCHOOL-781014

# Content

আন্তঃ সাংকেতিক অনুবাদৰূপে ভবেন্দ্ৰনাথ শইকীয়াৰ *অন্তৰীপ* উপন্যাসৰ চলচিত্ৰ ৰূপ *অগ্নিস্নান* ঃ এটি আলোচনা।

*শেষাদ্ৰী গোস্বামী* 11-17

অসমীয়া ডাকৰ বচন, প্ৰবাদ-পটন্তৰ, ফকৰা-যোজনা, সাঁথৰ আদিত জৈৱবৈচিত্ৰ্যৰ প্ৰতি থকা পাৰিপাৰ্শ্বিক সচেতনতা ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন

ড° *বিশ্বজিৎ দাস, আদিত্য শইকীয়া* 18-29

অসমীয়া শিশুসাহিত্য আৰু হোমেন বৰগোহাঞি ঃ এক সমীক্ষা

ড° *আখতাৰুল ইছলাম* 30-38

ডাইনী হত্যা ঃ এক সামাজিক ব্যাধি

*অমল চন্দ্ৰ দাস* 39-44

মিচিং লোক-জীৱনত বাঁহ-বেতশিল্পৰ ব্যৱহাৰ ঃ এক ক্ষেত্ৰভিত্তিক অধ্যয়ন

ড° *বিজয়কৃষ্ণ দলে* 45-68

অসমীয়া ভাষাৰ শব্দ-সম্ভাৰ ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন

ড° *ৰত্নেশ্বৰ মিলি* 69-90

সাধুকথাৰ কথাঙ্গ বিচাৰ ঃ এক বৈজ্ঞানিক চমু অধ্যয়ন

ড° *জ্যোতি গগৈ* 91-101

সাধুকথাৰ প্ৰায়োগিক দিশঃ এটি বিশ্লেষণাত্মক অধ্যয়ন

*দীপক নাথ* 102-108

# অসমীয়া শিশুসাহিত্য আৰু হোমেন বৰগোহাঞিঃ এক সমীক্ষা

ড° আখতাৰুল ইছলাম

*সহযোগী অধ্যাপক, প্ৰমথেশ বৰুৱা মহাবিদ্যালয়*

ইমেইল - *islamakhtarul45@yahoo.in*

**সংক্ষিপ্ত সাৰ**

সাম্প্ৰতিক যন্ত্ৰনিৰ্ভৰ মনোৰঞ্জনৰ বিপৰীতে শিশুৰ বুদ্ধিবৃত্তি আৰু ৰুচিৰ বিকাশৰ অৰ্থে শিশুক গ্ৰন্থৰ জগতৰ সৈতে সম্পৃক্ত কৰাৰ গত্যন্তৰ নাই। যুগে যুগে শিশু সাহিত্যক লৈ অনেক সম্পৰীক্ষা হৈছে আৰু শিশুৰ শাৰিৰীক আৰু মানসিক বুদ্ধিবৃত্তি বিকাশৰ লক্ষ্যৰে সাহিত্যিক সকলেও বিষয় বৈচিত্ৰ, উপস্থাপন ভঙ্গী আৰু ভাষাৰ কাৰিগৰী দিশত নানান সম্পৰীক্ষা কৰিছে। অসমীয়া শিশু সাহিত্যৰ ইতিহাসত মৌখিক (লোক) সাহিত্যৰ পৰা সাম্প্ৰতিক কাললৈকে শিশুক লৈ, শিশুৰ বাবে বহু সাহিত্য ৰচনা হৈছে। শৈলী তথা বিষয় নিৰ্বাচনত প্ৰত্যেকেই অনন্য। হোমেন বৰগোহাঞিৰ শিশু সাহিত্য ব্যতিক্ৰমী আৰু গঠনাত্মক। মাথো ছন্দনিৰ্ভৰতাক সাৰথি নকৰি শিশুৰ মনোৰঞ্জনৰ উপৰিও চিন্তাৰ বিকাশ আৰু সমাজ দায়বদ্ধতাৰ প্ৰাথমিক পাঠ প্ৰাসঙ্গিক কৰি তুলিছে।

**সূচক শব্দঃ** শিশু সাহিত্য, শিশুমনস্তত্ব, সমাজ দায়বদ্ধতা হোমেন বৰগোহাঞি

## ১.০ আৰম্ভণি ঃ

শিশুৰ বুদ্ধিবৃত্তি আৰু ৰুচিৰ বিকাশত উপযোগী সাহিত্যই বিশেষ সহায় কৰে আৰু সাহিত্য-স্পৃহা জগাই তুলি উচ্চ-সাহিত্য সৃষ্টিৰ বীজ ৰোপণ কৰে। শিশুৰ বয়সৰ লগে লগে

বিকশিত হোৱা বুদ্ধি-বৃত্তি আৰু ভাব-চিন্তাৰ লগত খাপ খোৱা সাহিত্যৰ যোগান ধৰিব পাৰিলে শিশুৰ মানসিক উন্নতি সহজ ভাবে আৰু দ্ৰুতগতিত সম্পন্ন হয়। কাৰণ শৈশৱকাল ডোখৰতে বিশ্বৰ জটিলতাৰ পৰা সাত যোজন দূৰত্বৰ অৱস্থান কৰা শিশুসকল মূলতঃ নিষ্পাপ আৰু নিৰ্মল হৈ থাকে। শিশুৰ মানসিক বিকাশত সহায় কৰা দয়া, মৰম, সহানুভূতি, কল্পনা আদি সুকুমাৰ বৃত্তিবোৰৰ উৎকৰ্ষ সাধন কৰা, অনুসন্ধিৎসা বৃদ্ধি কৰা, আত্মকেন্দ্ৰিক স্তৰৰ পৰা সামাজিক ভাব-চিন্তাৰ অৱস্থালৈ উন্নীত কৰা, শৃঙ্খলাবোধ গঢ়ি তোলাত সহায় কৰা, পৰনিৰ্ভৰশীল অৱস্থাৰ পৰা আত্মনিৰ্ভৰশীল হোৱাত সহায় কৰা, সৌন্দৰ্যবোধৰ উন্মেষ কৰা, সুনাগৰিকত্বৰ বীজ ৰোপণ কৰা, বয়স অনুসৰি প্ৰকৃতিতত্বৰ ধাৰণাৰ আভাস দিয়া শিশু সাহিত্যৰ প্ৰধান উদ্দেশ্য আৰু আদৰ্শ হোৱা উচিত বুলি সত্যেন্দ্ৰনাথ শৰ্মাদেৱে (শৰ্মা, ৪৪২) উল্লেখ কৰিছে।

২.০ বিষয়ৰ পৰিসৰ, অধ্যয়নৰ উদ্দেশ্য আৰু পদ্ধতি ঃ-

অসমীয়া শিশু সাহিত্যৰ পৰিসৰ অতি ব্যপক। তাৰ বিপৰীতে সম্প্ৰতিক অধ্যয়নত অসমীয়া শিশু সাহিত্যৰ এটি চমু উল্লেখহে কৰা হৈছে। সাহিত্যৰ অন্যতম বিভাগ কবিতা, নাটক, জীৱনী সাহিত্য আৰু শিশু আলোচনীৰ এক প্ৰতিনিধিত্বমূলক উল্লেখেৰে বিবৰণ আভাবহে মাথো দিয়াৰ যত্ন কৰা হৈছে।

সাম্প্ৰতিক কালত শিশুৰ যন্ত্ৰনিৰ্ভৰতাৰ বিপৰীতে সাহিত্য গঠনত কিদৰে শিশুৰ মানসিক জগতৰ পৰিবৰ্তন কৰিব পাৰে এই উদ্দেশ্য আগত ৰাখিয়েই হোমেন বৰগোহাঞিৰ শিশু সাহিত্যৰ ওপৰত আলোকপাত কৰিবৰ যত্ন কৰা হৈছে। তুলনামূলকভাৱে হোমেন বৰগোহাঞিৰ অন্যান্য ৰচনাৰাজিৰ বিপৰীতে শিশু সাহিত্যৰ ওপৰত আলোচনা পৰ্যালোচনা অতি সীমিত। সেয়ে সাম্প্ৰতিক অধ্যয়নে হোমেন বৰগোহাঞিৰ বহুমুখী প্ৰতিভাৰ ওপৰত এক নতুন পোহৰ সঞ্চাৰ কৰিব বুলি আমাৰ বিশ্বাস। বিশ্লেষণাত্মক আৰু সমীক্ষাত্মক পদ্ধতিৰে এই আলোচনা সাদৰাৰ যত্ন কৰা হৈছে।

৩.০ মূল আলোচনা ঃ

৩.০১ অসমীয়া শিশু সাহিত্য সবিশেষ ঃ

অসমীয়া শিশু সাহিত্যৰ উৎসৰ পম খেদি মৌখিক যুগৰ সাহিত্যলৈ উভতি চাব পাৰি। বিভিন্ন ধৰণৰ সাধুকথা, লোককথা আৰু গীত-মাতৰ মাজেৰে শিশুৰ মনোৰঞ্জনৰ উপৰিও চিন্তাৰ বিকাশত এনে সাহিত্যই কমকৈ হ'লেও খোৰাক যোগাইছে। লিখিত সাহিত্যৰ ধাৰাবাহিক ইতিহাস অধ্যয়ন কৰিলে দেখা যায় যে, অসমীয়া বৈষ্ণৱ সাহিত্যই পোন প্ৰথমে শিশুপযোগী সাহিত্য ৰচনাৰ প্ৰৱণতা গা কৰি উঠে। শিশুৰ মনোজগতত নিৰ্দোষ ধেমালীৰ ছলেৰে মহানতাৰ স্বাক্ষৰ প্ৰদান কৰাত পৌৰাণিক কবি সকলে কৃতিত্বৰ পৰিচয় দিছে। আধুনিক যুগত অসমীয়া সাহিত্যৰ অন্যান্য দিশৰ লগত সঙ্গতি ৰাখি শিশু সাহিত্যও বিকশিত হ'বলৈ লয়। অৰুণোদয় কাকত গোষ্ঠীয়ে এই দিশত ৰূপান্তৰৰ বাট কাটি দিলেও সেই বাটেদি 'জোনাকী'ৰ শিশু সাহিত্যই পত্ৰে পুষ্পে বিকশিত হৈ উঠে। এই সময়ছোৱালৈকে অসমীয়া শিশু-সাহিত্যত যিবোৰ বিষয়বস্তুৱে আটাইতকৈ বেছি ক্ষেত্ৰজুৰি বিস্তৃত আছিল সেয়া হ'ল সাধুকথা। সাধুকথাৰ মাজেদি নৈতিক

অসমীয়া শি
নিজৰ ভাষাৰে প্ৰকাশ কৰি শিশু সাহিত্য

৩.০২ অসমীয়া শিশু-সাহিত্যৰ অন্যতম এটি ঠাল হৈছে কবিতা বা পদ্য। অৰুণোদয় যুগৰ পৰা বিভিন্ন কাকত-পত্ৰ বা ব্যক্তিগত উদ্যোগতো অনেক শিশুপাঠ্য কবিতা ৰচনা হৈছে আছে। ছন্দোবদ্ধ এনে ৰচনাৰে শিশুৰ মনোজগতত এক যাদুকৰী প্ৰক্ৰিয়াৰ সূচনাৰ মাজেৰে শিশুৰ কৌতূহল নিবৃত্তিৰ প্ৰয়াস কৰা হৈছে। এনে কিছু কবি আৰু কবিতাৰ ভিতৰত উল্লেখযোগ্য নাম হ'ল জোনাকীৰ অন্যতম প্ৰতিষ্ঠাতা চন্দ্ৰকুমাৰ আগৰৱালা (আদিপাঠ, কোমল পাঠ), মফিজুদ্দিন আহমদ হাজৰিকা (জ্ঞান মালিনী), যতীন্দ্ৰনাথ দুৱৰা (ককা আৰু নাতি ল'ৰা), ৰঘুনাথ চৌধুৰী (ঈশ্বৰ), অতুল চন্দ্ৰ হাজৰিকা (আমৈৰ নাতি, মানিকী মাধুৰী, ৰুনুক জুনুক), জ্যোতিপ্ৰসাদ আগৰৱালা (কুম্বুৰ সপোন, ভূতৰ পোৱালী, মনসা, অকণিৰ সপোন), বীৰেন্দ্ৰ নাথ দত্ত (অমাতৰ মাত, কুঁহিপাতৰ বাঁহী), নৱকান্ত বৰুৱা (ওমলা ঘৰৰ পুথি), নিৰ্মল প্ৰভা বৰদলৈ (অসমীয়া ওমলা গীত), গগন চন্দ্ৰ অধিকাৰী (টকাত একোটা হাতী, ৰ'দালি এ ৰ'দ অকণ দে) হীৰেণ ভট্টাচাৰ্য (ল'ৰা ধেমালী), এলি আহমেদ (দোকমোকালিৰ গীত) ইত্যাদি।

৩.০৩ নাটকৰ ক্ষেত্ৰতো আধুনিক অসমীয়া শিশু সাহিত্যৰ ভঁৰাল উদং হৈ থকা নাই। বিশেষকৈ গীতি-নাট্য সমূহে শিশুৰ মনোজগতত খলকণি তুলি সংস্কৃতিক চেতনা সম্পন্ন কৰি গঢ় দিয়াত বিশেষ সফলতা দাবী কৰিব পাৰে। আধুনিক কালত কীৰ্তিনাথ বৰদলৈ আৰু মুক্তিনাথ বৰদলৈৰ *লুইত কোঁৱৰ*, *বাসন্তিৰ অভিষেক* আৰু *সুৰ বিজয়* উল্লেখযোগ্য কীৰ্তি। তাৰোপৰি পদ্মধৰ চলিহা *কেনে মজা*, আনন্দ চন্দ্ৰ বৰুৱা *কপৌ কুঁৱৰী*, কৰুণাধৰ বৰুৱা *প্ৰজাপতি*, পাৰ্বতীপ্ৰসাদ বৰুৱা *সোণৰ সোলেং*, জ্যোতিপ্ৰসাদ আগৰৱালা *নিমাতী কইনা*, নৱকান্ত বৰুৱা *মই টুনীয়ে টুন টুনালো*, নিৰ্মল প্ৰভা বৰদলৈ *ৰজা*, *বন্ধু*, প্ৰসন্নলাল চৌধুৰী *অপেশ্বৰী*, অতুল চন্দ্ৰ হাজৰিকা *ছেৰছাহ*, লক্ষ্যধৰ চৌধুৰী *একলব্য*, অৰুণ শৰ্মা *পোহৰ*, ভবেন্দ্ৰ নাথ শইকীয়া *শান্ত-শিষ্ট কষ্ট-পুষ্ট মহা দুষ্ট*, পৰমানন্দ ৰাজবংশী *আমি ৰ'দালি জিলিমিলি*, যাদৱ চন্দ্ৰ দাস *ডায়লগ* উল্লেখযোগ্য সৃষ্টি।

৩.০৪ আধুনিক অসমীয়া শিশু সাহিত্যৰ এটা উল্লেখযোগ্য দিশ জুৰি বিস্তৃত হৈ আছে জীৱনী সাহিত্য। জীৱনী সাহিত্যই প্ৰকৃতাৰ্থত শিশুৰ ভৱিষ্যত জীৱন গঢ় দিয়াৰ বাবে যোগ্য মাধ্যম। অসমীয়া সাহিত্যৰ এই দিশটোৰ প্ৰতি বহুকেইজন সাহিত্যিকে তীক্ষ্ণ নজৰ ৰাখিছে। অসমীয়া সাহিত্যত মহাদেৱ শৰ্মাৰ পৰা ক্ৰমে নলিনীবালা দেৱী, স্যকুমাৰ ভূঞা, অতুল চন্দ্ৰ হাজৰিকা, গোপীনাথ বৰদলৈ, কমলেশ্বৰ চলিহা, হৰেন্দ্ৰ নাথ শৰ্মা, জীৱন চন্দ্ৰ বৰুৱা, সতীশ চন্দ্ৰ কাকতি, বীৰেণ বৰকটকী, বেণুধৰ শৰ্মা, নীলিমা দত্ত, মফিদা আহমেদ, লীলা গগৈ, ডঃ প্ৰফুল্ল কটকী, যোগেন্দ্ৰ নাৰায়ণ ভূঞা, এম. আব্দুল মজিদ খান, কুমুদ কুমাৰ দত্ত, ইছমাইল হোছেইন, হৃষীকেশ গোস্বামীকে ধৰি বহু কেইজন সাহিত্যিকে অসমীয়া জীৱনী সাহিত্যৰ ভঁৰাললৈ অনবদ্য অৱদান আগবঢ়াই থৈছে। শিশু উপন্যাসৰ ভিতৰত হৰগোবিন্দ শৰ্মা *পাতালপুৰী*, যোগেন শৰ্মা *সুৰুজ উঠা দেশৰ পিনে*, শুক্ৰেশ্বৰ বৰা *মায়ামতী*, প্ৰেমনাৰায়ণ দত্তৰ *পোহৰৰ বাটত*, লক্ষ্মীনাথ ফুকন *বাপুকণ*,

...সুন্দৰৰ দেশ*, ৰাধিকা মোহন ভাগৱতী *এজন ৰজা আছিল*, বন্দিতা ফুকন *জুলি-ৰীমা সিহঁত, বন্ধৰ দিনত, অকণিহঁত, সিঁহতে খেলিছিল, সোণটিৰ দিনবোৰ, সুন্দৰপুৰত সোণটি* ইত্যাদি উল্লেখযোগ্য পুথি। শিশু উপযোগী বিজ্ঞানপুথি আৰু বিজ্ঞানভিত্তিক উপন্যাসো কম ৰচনা হোৱা নাই। সুৰেন্দ্ৰ নাথ মেধিৰ *তৰঙ্গ জগত*, ড° ভূবন মোহন দাসৰ *মানুহ*, শ্যামা প্ৰসাদ শৰ্মা *প্ৰাথমিক বিজ্ঞান*, প্ৰফুল্ল ডেকাৰ *কি কয় কেনেকৈ*, চাকিল জামানৰ *দহগৰাকী বিজ্ঞানী* অসমীয়া শিশু সাহিত্যলৈ বাছকবনীয়া অৱদান।

৩.০৫ অসমীয়া শিশু সাহিত্যক গতিশীল কৰি তোলাত আলোচনী, সাময়িকী আৰু বাতৰি কাকতৰ শিশু শিতানসমূহেও যথেষ্ট বৰঙণি যোগাইছে। কৰুণাভিৰাম বৰুৱাৰ *ল'ৰা বন্ধু* (১৯৮৮), হেমচন্দ্ৰ গোস্বামীৰ *অকণ* (১৯১৬), মহাদেৱ শৰ্মাৰ *অৰুণ* (১৯২৬), তুলসী নাৰায়ণ শৰ্মাৰ *আমাৰ দেশ* (১৯৩১), হীৰেন্দ্ৰনাথ শৰ্মাৰ *পখিলা* (১৯৩৩), বিৰিঞ্চি কুমাৰ বৰুৱাৰ *ৰংঘৰ* (১৯৪৮), দীননাথ শৰ্মাৰ *পাৰিজাত* (১৯৪০), এম ইব্ৰাহীম আলিৰ *কাচিজোন* (১৯৫১), গৌৰীকান্ত তালুকদাৰৰ *দীপক* (১৯৫৪), নৰকান্ত বৰুৱাৰ *জোনবাই* (১৯৬১-৬৬), হোমেন বৰগোহাঞিৰ *কাকলি* (১৯৭২) আৰু *কিশোৰ* (১৯৯২), সূৰ্য্যকুমাৰ ভূঞাৰ *মইনা* (১৯৭৯), প্ৰীতি বৰুৱাৰ *আকাশ* (১৯৭৯), ভবেন্দ্ৰনাথ শইকীয়াৰ *সঁফুৰা* (১৯৮৩), কুমুদ গোস্বামীৰ *মুকুতা* (১৯৮৭-৯৫), ৰমেন শইকীয়াৰ *অকণিৰ অগ্ৰদূত* আদি আলোচনীৰ লগতে প্ৰায় প্ৰতিটো বাতৰি কাকতৰ শিশু শিতানসমূহ শিশু সাহিত্যৰ অক্ষয় ভঁৰালৰূপে চিহ্নিত।

**৪.০ হোমেন বৰগোহাঞিৰ শিশু সাহিত্য ঃ**

অসমীয়া শিশু-সাহিত্যৰ এনে এক গতিময়তাত যিজন সাহিত্যিকে এক ব্যতিক্ৰমী চিন্তা আৰু প্ৰতিভাৰে শিশু মনোজগতত নিভৃতে সোমাই শিশুৰ বৌদ্ধিক উত্তৰণৰ সচেষ্ট প্ৰয়াস কৰিছে সেইজন হ'ল হোমেন বৰগোহাঞি। প্ৰায় ৪০খনৰো অধিক উপন্যাস, গল্প, কবিতা, প্ৰবন্ধ পুথিৰ ৰচনা হোমেন বৰগোহাঞি সাম্প্ৰতিক কালৰ এজন বহুচৰ্চিত সাহিত্যিক। প্ৰশাসনীয় সেৱাৰ লোভনীয় চাকৰি ইস্তাফা দি কলম সাৰতি এক অনিশ্চিত জীৱন যুদ্ধলৈ জাঁপ দিয়া বিৰল চৰিত্ৰৰ গৰাকী বৰগোহাঞি পৰৱৰ্তী জীৱনত সাংবাদিকতাৰ জগতত যিমানেই বিতৰ্কৰ সৃষ্টি নকৰক অসমীয়া সৃষ্টিশীল সাহিত্য আৰু সমালোচনাৰ জগতত পাশ্চাত্য ভাৱাদৰ্শ তথা অধ্যয়ন পুষ্ট আত্মপ্ৰকাশৰ পথিকৃত বুলিয়েই সৰ্বজন স্বীকৃত।

অসমীয়া শিশু-সাহিত্যলৈ হোমেন বৰগোহাঞিৰ অৱদান যথেষ্ট নহ'লেও তেওঁৰ প্ৰকাশিত শিশু-সাহিত্য সমগ্ৰ ব্যতিক্ৰম ধৰ্মী। বৰগোহাঞিৰ সম্পাদনাত প্ৰকাশ পোৱা *কাকলি* (১৯৭২) আৰু *কিশোৰ* (১৯৯২) শিশু আলোচনী জগতত বিশিষ্ট মাইলৰ খুঁটি। *অ আ ক খ* (১৯৯২), *কিতাপ পঢ়াৰ আনন্দ* (১৯৯১), *মানুহ হোৱাৰ গৌৰৱ* (১৯৯৪), *বেঞ্জামিন ফ্ৰেংকলিন* (১৯৯৬) আৰু *উচ্চাকাংক্ষা* (১৯৯৯) বৰগোহাঞিৰ কেইখনমান বিৰল পুথিৰ চানেকী। উক্ত পুথি সমূহৰ ওপৰত সাম্প্ৰতিক বিশ্লেষণ সীমাবদ্ধ ৰখা হৈছে।

৪.০১ পৰম্পৰাগত অসমীয়া আখৰ ফল শিক্ষণৰ বিপৰীতে হোমেন বৰগোহাঞিৰ 'অ আ ক খ' সাৱলীল শব্দ বিন্যাসেৰে সমুজ্জ্বল। আখৰ ফলা শিকনিৰ লগে লগে শিশু মনত দকৈ সাঁচ বহুৱাব পৰা কথাবোৰো যেন সন্তৰ্পণে কৈ থোৱা আছে —

লগত মানুহৰ ...
এজনে ভোৰতাল বজাইছে।
সভাত বহুত মানুহ গোট খাইছে।
সভাপতিয়ে কৈছে ঃ কৃষকসকল দেশৰ গৌৰৱ" (বৰগোহাঞি, ১৭)

সভাপতিৰ আমন্ত্ৰণ উপলক্ষে অসমীয়া বাদ্যযন্ত্ৰৰ পৰিচিতিৰ লগতে উন্নয়নশীল দেশৰ আ... অস্ত্ৰ কৃষক-পৰিচিতি দিয়া হৈছে যে কৃষকসকল দেশৰ গৌৰৱ। গতিকে একে আষাৰতে কৃষক-শ্ৰমি... প্ৰতি শ্ৰদ্ধা প্ৰদৰ্শন কৰিবলৈ নকৈও শিশুক তাৰ প্ৰতি আগ্ৰহান্বিত কৰা হৈছে। আন্যহাতে —

"আমাৰ পঢ়াশালিৰ চৌহদত গছ বৰ তাকৰ।
আজি আমি তাত গছপুলি ৰুম।
কেইটা পুলি ? মুঠতে কুৰিটা।
গছ পুলিবোৰ আমি যতন ল'ম।
সময়মতে সাৰ পানী দি থাকিম।
এদিন গৈ গছবোৰ ডাঙৰ হ'ব।
দেখিবলৈ শুৱনি হ'ব। সকলোৰে
উপকাৰত আহিব" (বৰগোহাঞি, ১৭)

এয়া যেন শিশুৰ দৃষ্টিৰে, শিশুক কেন্দ্ৰ কৰি পৰিৱেশ সংৰক্ষণৰ মহোৎসৱ। এনে... পৰিকল্পনাৰে সমূহীয়া জীৱন 'আমিত্ববোধ'ৰ প্ৰতি সাৰ্থকভাৱেই শিশুক আকৃষ্ট কৰিব পাৰি...

৪.০২ শিশু-সাহিত্যৰ ভিতৰত সৰ্বকালৰ এখন উল্লেখযোগ্য পুথি হোমেন বৰগোহাঞি... *কিতাপ পঢ়াৰ আনন্দ*। হৃষীকেষ গোস্বামীয়ে কোৱা ধৰণে অধ্যয়নৰ প্ৰতি স্পৃহা জগাই আৰু... তোলাত এনে পুথিয়ে নিশ্চিতভাৱে সহায় কৰিব (গোস্বামী, ১২)। সৰুৰে পৰাই শিশুসক... অধ্যয়নমুখী কৰি তোলাত পিতৃ-মাতৃ, অভিভাৱক, শিক্ষক, চৰকাৰ, প্ৰকাশক সকলোৰে একে... দায়িত্ব আছে। এই দায়িত্বৰ পৰা গা এৰা দিব খুজিলেই বিপদ হ'ব। কিয়নো শিশু একো একে... জাতিৰ আটাইতকৈ মূল্যবান সম্পদ। এই সম্পৰ্কত বৰগোহাঞিৰ নিজৰ মন্তব্য - "ছাত্ৰ অৱস্থা... যদি মানুহৰ মনত কিতাপৰ প্ৰতি আগ্ৰহ সৃষ্টি কৰা নহয় তেন্তে পিচলৈ সেই আগ্ৰহ সৃষ্টি কৰা স... নহয়। পৃথিৱীৰ উন্নত দেশবোৰত মানুহৰ মাজত কিতাপ পঢ়াৰ অভ্যাস গঢ়ি তুলিবলৈ অবি... চেষ্টা কৰা হয়। আমাৰ দেশত তেনে চেষ্টা খুব কমেই চকুত পৰে(বৰগোহাঞি, ২৫)।" হয়... সেয়েই বৰগোহাঞিৰ *কিতাপ পঢ়াৰ আনন্দ* এক অবিস্মৰণীয় সৃষ্টি। প্ৰথম অধ্যায় নাতি ... দহোটা নিবন্ধৰ সমষ্টি। অত্যন্ত যুক্তিবাদী চিন্তাৰে প্ৰতিটো নিবন্ধতে এমাৰছন, ইবছেন, ভলটেয়... আদি পাশ্চাত্য চিন্তা নায়কৰ সহজ উল্লেখ আৰু বিশ্লেষণেৰে আলোচনা সমূহক সহজপাঠ্য আ... গ্ৰহণযোগ্য কৰি তোলা হৈছে। দ্বিতীয় অধ্যায়ত নটা বিষয়ৰ আলোচনা কৰা হৈছে। 'দুজন ... মানুহৰ কথা' প্ৰসঙ্গত শিশু কিম্বা কিশোৰৰ মন চুই যাব পৰাকৈ বৰগোহাঞিয়ে কৈছে —

"যি মানুহে গোটেই ...

'কিতাপে আমাক সদায় সৎপথত ৰাখে' শীৰ্ষক আলোচনাত লিখকৰ অভিমত ঃ-

"অতীতৰ সকলো যুগতকৈ এতিয়া মানুহৰ আজৰি সময় বাঢ়িছে। তাৰ লগে লগে আৰশ্যে বৃদ্ধি পাইছে চিনেমা, টেলিভিছন, ভি.ডি.অ. ফিল্ম আদি অৱসৰ বিনোদনৰ বিভিন্ন পন্থা আৰু উপায়। কিন্তু আধুনিক কালৰ অৱসৰ বিনোদন বা আমোদ প্ৰমোদত বেছিভাগ সহজলভ্য উপায়ৰ প্ৰধান ক্ৰটি হ'ল এয়ে যে ই মানুহক কেৱল নিষ্ক্ৰিয় দৰ্শক বা শ্ৰোতা কৰিয়েই ৰাখে। কেতিয়াও সক্ৰিয় অংশীদাৰ হ'বলৈ নিদিয়ে। এনেবোৰ সস্তীয়া আৰু তৰল আমোদ প্ৰমোদৰ মাজেদি মানুহে পৰিপূৰ্ণ আনন্দও পাব নোৱাৰে আৰু তেওঁৰ বুদ্ধি বৃত্তিৰো বিকাশ হ'ব নোৱাৰে। বৰং টেলিভিছন আৰু ভি.ডি.অ. চিনেমাৰ সন্মুখত ঘন্টাৰ পিচত ঘন্টা ধৰি বহি থকা ল'ৰা-ছোৱালীৰ শৰীৰ আৰু মন দুয়োটাই অৱশ হৈ পৰে। শৰীৰ অৱশ হয় ব্যায়ামৰ অভাৱত, মন অৱশ হয় চিন্তাৰ খোৰাকৰ অভাৱত" (বৰগোহাঞি, ৪৯)

অতিৰিক্ত কিতাপ পঢ়াৰ নিচাও যে ক্ষতিকাৰক হ'ব পাৰে সেই বিষয়েও লেখকে সকিয়াই দিছ —

"মানুহে আহাৰ নোখোৱাকৈ জীয়াই থাকিব নোৱাৰে। কিন্তু প্ৰয়োজনতকৈ বা হজম কৰিব পৰাতকৈ বেছিকৈ খালে আহাৰেই আমাৰ দেহত নানাবিধ মাৰাত্মক ৰোগ ব্যাধিৰ সৃষ্টি কৰি অকাল মৃত্যু মাতি আনিব পাৰে। ঠিক তেনেকৈয়ে কিতাপ পঢ়াৰ ক্ষেত্ৰতো মাত্ৰাজ্ঞান ৰক্ষা কৰি চলা দৰকাৰ" ( বৰগোহাঞি, ৫৯)

বৈজ্ঞানিক শিক্ষাৰ প্ৰতি শিশুক আগ্ৰহান্বিত কৰিবলৈ শ্ৰীবৰগোহাঞি তৎপৰ —

"এজন মানহ প্ৰকৃত অৰ্থত শিক্ষিত হ'বলৈ হ'লে তেওঁ যেনেকৈ বুৰঞ্জী, দৰ্শন, সাহিত্য আদি বিষয়বোৰ অধ্যয়ন কৰি ভাল পাব লাগিব, ঠিক তেনেকৈ বিজ্ঞানৰ ইতিহাস আৰু ঘাই ঘাই বৈজ্ঞানিক তত্ত্ববোৰৰ লগতো তেওঁৰ এটা থুলমূল পৰিচয় থাকিব লাগিব।" ( বৰগোহাঞি, ৫৯)

৪.০৩ শিশু উপযোগী *মানুহ হোৱাৰ গৌৰৱ* হোমেন বৰগোহাঞিৰ অন্য এখন উল্লেখযোগ্য গ্ৰন্থ। মুঠ এঘাৰটা প্ৰবন্ধেৰে সুসজ্জিত *মানহ হোৱাৰ গৌৰৱ* শিশু-কিশোৰৰ বাবে অৱশ্য পাঠ্য হোৱা যুগুত। গতানুগতিক কাহিনী কোৱাৰ বিপৰীতে ঐতিহাসিক আৰু সঁচা কাহিনীৰে পাঠকৰ মন-গহনত সাঁচ বহুৱাই পাঠকৰ চিন্তাৰ ৰাজ্যত খোপনি পুতিব পৰাকৈ আৰু পাঠকক সুদৃঢ় অৱস্থানত থিয় কৰাবলৈ *মানুহ হোৱাৰ গৌৰৱ* সাৰ্থক। ৰবিঞ্চন ক্ৰুছোৰ কাহিনীৰ মৰ্মাৰ্থ বৰগোহাঞিয়ে সৰলভাৱে শিশুপযোগীকৈ উপস্থাপন কৰিছে —

"ৰবিঞ্চন ক্ৰুছোৰ কাহিনীয়ে আমাক এই শিক্ষাই দিয়ে যে মানুহ সাহস, ধৈৰ্য আৰু বুদ্ধিৰ সহায়েৰে সকলো বিপদ বিঘিনি জয় কৰিব পাৰে। যি মানুহে হাৰ মানিব নোখোজে তেওঁৰ জয় হ'বই। প্ৰত্যেক মানুহৰে জীৱনত এনেকুৱা